Total No. of Printed Pages—3

**4 SEM TDC ASMN (CBCS) DSC 4**

**2022**

( June/July )

ASSAMESE

( Discipline Specific Course )

Paper : DSC–4

**( অসমৰ ভাষা আৰু সংস্কৃতি )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) অসমত থকা আৰ্যমূলীয় ভাষাসমূহৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা। ১৫

*অথবা*

(খ) অসমত প্ৰচলিত তিব্বত-বৰ্মী ঠালৰ ভাষাসমূহৰ বিষয়ে এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰা।

২। (ক) অসমৰ টাইমূলীয় ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি আলচ যুগুত কৰা। ১৪

*অথবা*

(খ) চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

(১) অসমীয়া ভাষাত অষ্ট্ৰিক ভাষাৰ প্ৰভাৱ

(২) অসমীয়া ভাষাত টাই ভাষাৰ প্ৰভাৱ

(৩) মিচিং ভাষাত অসমীয়া ভাষাৰ প্ৰভাৱ

(৪) বৰো ভাষাত অসমীয়া ভাষাৰ প্ৰভাৱ

৩। (ক) সংস্কৃতি কাক বোলে? সংস্কৃতিৰ উপাদানসমূহৰ বিষয়ে এটি আলচ যুগুত কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) অসমীয়া সংস্কৃতিত মঙ্গোলীয় প্ৰজাতিৰ অৱদান সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ। ১৫

৪। (ক) অসমীয়া সংস্কৃতিত জন্ম, মৃত্যু আৰু বিবাহেৰে জড়িত লোকাচাৰ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ। ১৪

*অথবা*

(খ) চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

(১) মিচিংসকলৰ লোকবিশ্বাস

(২) দেউৰীসকলৰ লোকবিশ্বাস

(৩) কাৰ্বিসকলৰ সাজপাৰ

(৪) ৰাভাসকলৰ আ-অলংকাৰ





৫। চমু টোকা লিখাঁ (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) আলি-আই-লৃগাঙ

(খ) ৰংকেৰ

(গ) খেৰায় পূজা

(ঘ) হাচাকেকান

(ঙ) পঃৰাগ

৬। চমু উত্তৰ দিয়াঁ : ১×৭=৭

(ক) খামায়াং ভাষা কোন ভাষাগোষ্ঠীৰ অন্তৰ্গত?

(খ) অসমীয়া ভাষাত দন্ত্য আৰু মূৰ্ধন্য ধ্বনিৰ উচ্চাৰণ আছে নে নাই?

(গ) অসমীয়া ভাষাত হ্ৰস্ব-দীৰ্ঘ উচ্চাৰণ আছেনে?

(ঘ) "মাধুৰ্য্য আৰু আলোকেই সংস্কৃতি" বুলি কোনে কৈছে?

(ঙ) মোমায়েকৰ ছোৱালীক বিয়া কৰোৱা প্ৰথা প্ৰচলিত অসমৰ যি কোনো এটা জনগোষ্ঠীৰ নাম লিখাঁ।

(চ) 'পিনি' অসমৰ কোন জনগোষ্ঠীৰ মহিলাৰ সাজপাৰ?

(ছ) 'মাগী' অসমৰ কোন জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ?

★★★